**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-----------------------

১। মেধাৱী শিক্ষাৰ্থীসকলক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত কেন্দ্ৰৰ অনুমোদন।

২। ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ ভূটানৰ প্ৰধানমন্ত্ৰী-অসমৰ ৰাজ্যপালৰ উপস্থিতিত আব্ৰজন তালাচী চকী মুকলি।

৩। উপ-নিৰ্বাচনক লৈ ৰাজ্যৰ ৫টা সমষ্টিত প্ৰচাৰ অভিযান তুংগত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ।

৪। আজি ষট পূজাৰ তৃতীয় দিন। ৰাজ্যৰ লগতে সমগ্ৰ দেশজুৰি উলহ-মালহেৰে পূজা উদযাপন।

**আৰু**

৫। ভাৰতৰ দিৰিজ চৰণ আৰু ইজৰাইলৰ ডেনিয়েল কুকিৰমেনৰ এইচ.পি.পি অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

00000000

কেন্দ্ৰীয় চৰকাৰে মেধাৱী শিক্ষাৰ্থীসকলক বিত্তীয় সাহায্য প্ৰদানৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত অনুমোদন জনাইছে। নতুন দিল্লীত কালি কেবিনেট বৈঠকত লোৱা সিদ্ধান্তৰ বিষয়ে সাংবাদিকক অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, বিদ্যাৰ্থীসকলে উচ্চ শিক্ষা লাভৰ বাবে অতিৰিক্ত বন্ধকী অবিহনে ঋণ লাভ কৰিব পাৰিব। তেওঁ কয় যে, বিত্তীয় অন্তৰায়ে যাতে দেশৰ যুৱ প্ৰজন্মক গুণগত উচ্চ শিক্ষা আহৰণত বাধা প্ৰদান কৰিব নোৱাৰে তাৰ বাবে এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই আঁচনি অনুসৰি ৭ লাখ ৫০ হাজাৰ টকাৰ ঋণৰ ক্ষেত্ৰত চৰকাৰে ৭৫ শতাংশ ঋণৰ নিশ্চয়তা প্ৰদান কৰিব। ৮ লাখ টকা পৰ্যন্ত ছাত্ৰ-ছাত্ৰীয়ে মৰেটৰিয়াম আৰু অৰ্থাৎ দেনা স্থগিতৰ কালত ১০ লাখ টকালৈকে ঋণৰ সূদৰ ক্ষেত্ৰত ৩ শতাংশ ৰেহাই লাভ কৰিব। এই আঁচনিৰ জৰিয়তে ৭ লাখ শিক্ষাৰ্থী উপকৃত হ'ব বুলি আশা কৰা হৈছে। আঁচনিখনৰ সুবধা গ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব পৰা যাব।

প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনি সন্দৰ্ভত শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৈছে যে, কেবিনেটে ৩ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী ব্যয়েৰে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত অনুমোদন দিয়াৰ ফলত উচ্চ শিক্ষাৰ লাভৰ ক্ষেত্ৰত থকা বাধাসমূহ দূৰ হ'ব আৰু দেশৰ যুৱক-যুৱতীসকলে নিজৰ সপোন পূৰণ কৰিব

পাৰিব। এই আঁচনিৰ অধীনত অতিৰিক্ত বন্ধকীমুক্ত আৰু নিশ্চয়তা প্ৰদান কৰোতা অবিহনে লাভ কৰা শিক্ষা ঋণ ব্যৱস্থাই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ শিক্ষা লাভৰ পথ সুগম কৰি তুলিব। তেওঁ কয় যে, এই আঁচনিখনে কোনো ছাত্ৰ যাতে বিত্তীয় বাধাৰ বাবে শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া নহয় সেয়া নিশ্চিত কৰিব। আঁচনিখনৰ জৰিয়তে শিক্ষাৰ্থীসকলে ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানগত ৰেংকিং পৰিকাঠামোৰ ভিত্তিত দেশৰ শীৰ্ষৰ ৮৬০ খন উচ্চ শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তিৰ সুযোগ লাভ কৰিব। প্ৰতিবছৰে ২২ লাখ শিক্ষাৰ্থীক এই আঁচনিয়ে সামৰি ল'ব। তেওঁ লগতে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিক ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ণৰ দিশে লোৱা শক্তিশালী পদক্ষেপ বুলি অভিহিত কৰে। এই আঁচনিয়ে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ লাখ লাখ শিক্ষাৰ্থীক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (ধৰ্মেন্দ্ৰ প্ৰধান)**

০০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে আজি দৰঙাত আব্ৰজন তালাচী চকী মুকলি কৰা হ'ব। দুয়োখন ৰাষ্ট্ৰৰ মাজত আন্তঃসম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূবন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং ট'বগে মুখ্য অতিতি  হিচাপে উপস্থিত থাকিব। ১৪ দশমিক ৫ একৰ ভূমি আৱৰি থকা আই চি পি দৰঙা সীমান্ত পাৰ হৈ কৰা ভ্ৰমণ আৰু বাণিজ্য সুশৃংখলিত কৰাৰ অৰ্থে আধুনিক ব্যৱস্থা থাকিব। অনুষ্ঠানত অসমৰ কেইবাগৰাকীও মন্ত্ৰী তথা সাংসদ উপস্থিত থকাৰ কথা। দৰঙাত আব্ৰজন তালাচী চকী মুকলিৰ বাবে দুয়োখন ৰাষ্ট্ৰই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত তামুলপুৰৰ পৰা আমাৰ সংবাদদাতা নয়নজ্যোতি দাস-

**-ভইচ কাষ্ট-**

০০০০০০

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাৰ লগতে আন আন ৰাজনৈতিক দলৰ মন্ত্ৰী তথা নেতাসকলে ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানত কালি অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কালি চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিজৰ ভাষণত ড০ শৰ্মাই বিটিআৰত সুদীৰ্ঘ দিনৰ হিংসাত্মক পৰিস্থিতিৰ পাছত শান্তি প্ৰতিষ্ঠা হৈছে বুলি উল্লেখ কৰি অনুষ্ঠানটোত শান্তি আৰু উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে বঙাইগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাতো অংশগ্ৰহণ কৰে। চিদলী বিধানসভাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেইবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলেও নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰী অশোক সিংহালে আজি চিদলী বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

ইপিনে অসম চৰকাৰে ১৩ নৱেম্বৰৰ উপ-নিৰ্বাচনৰ দিনটোত সমষ্টিকেইটাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টেলিফোনযোগে ডনাল্ড ট্ৰাম্পৰ সৈতে কথা পাতে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত লাভ কৰা আকৰ্ষণীয় জয়ৰ বাবে তেওঁক অভিনন্দন জনায়। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে তেওঁ প্ৰযুক্তি, প্ৰতিৰক্ষা, শক্তি, মহাকাশ আৰু আন ভালেমান খণ্ডত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিবলৈ পুনৰ একেলগে কাম কৰিবলৈ আগ্ৰহী।

প্ৰধানমন্ত্ৰীয়ে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদৰ নিৰ্বাচনৰ ৰিপাব্লিকান দলৰ প্ৰদৰ্শনৰ বাবেও ৰাষ্ট্ৰপতি ট্ৰাম্পক অভিনন্দন জ্ঞাপন কৰে। সূত্ৰৰ পৰা জানিব পৰা মতে দুয়োগৰাকী নেতাই আলোচনা কালত বিশ্ব শান্তিৰ হকে একেলগে কাম কৰাৰ কথা প্ৰকাশ কৰে। ভাৰতবৰ্ষক এখন আকৰ্ষণীয় দেশ বুলি অভিহিত কৰি শ্ৰীট্ৰাম্পে প্ৰধানমন্ত্ৰী মোদীক এগৰাকী আকৰ্ষণীয় ব্যক্তি বুলি মন্তব্য কৰে। শ্ৰীট্ৰাম্পে কয় যে তেওঁ প্ৰধানমন্ত্ৰী মোদী আৰু ভাৰতবৰ্ষক প্ৰকৃত বন্ধু বুলি গণ্য কৰে।

০০০০০০

আজি ষট পূজাৰ তৃতীয় দিন। এই উপলক্ষে ভক্তসকলে বিভিন্ন নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়ায়। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাযোগে কৈছে যে ষট পূজা দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম আৰু সূৰ্য দেৱতাৰ উপাসনাৰ এটা উপলক্ষ। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰিছে।

ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

তিনিচুকীয়া জিলাতো ৫ৰ পৰা ৭ নৱেম্বৰলৈ ষট পূজা উদযাপন কৰা হৈছে। জিলাখনত ষট পূজা উদযাপন সন্দৰ্ভত অধিক জানিবলৈ সংযুক্ত হৈছো আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণৰ সৈতে-

**-ভইচ কাষ্ট- (মনোৰঞ্জন মৰাণ)**

কৰিমগঞ্জত জিলা ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰিবলৈ জিলা প্ৰশাসনে কিছু নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ কেইবাটাও স্থানত ষট পূজাৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০০০০

শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত তেজপুৰ মাজগাঁও যুটীয়া সঞ্চালকালয়ৰ কাৰ্যালয়ত কালি ৰবি শস্যৰ বীজ বিতৰণ কাৰ্যসূচী আৰম্ভ কৰা হয়। তেজপুৰৰ ডিপোটা আৰু ঘোঁৰামাৰি কৃষি চক্ৰৰ কৃষকসকলৰ মাজত বীজ বিতৰণ কৰা হয়। অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই সৰিয়হ, মতৰ, ঘেঁহু, মচুৰমাহৰ বীজ কৃষকসকলৰ মাজত বিতৰণ কৰে। বিতৰণ কাৰ্যসূচীত জিলা উন্নয়ন আয়ুক্ত যুটীয়া কৃষি সঞ্চালক, সহকাৰী কৃষি সঞ্চালকৰ লগতে বহুগৰাকী বিষয়াও উপস্থিত থাকে। অনুষ্ঠানত বীজ বিতৰণৰ লগতে মহকুমা কৃষি বিষয়াই আধুনিক পদ্ধতিৰে পিঁয়াজত খেতি কৰাৰ প্ৰশিক্ষণ প্ৰদান কৰে। কৃষকসকলক ভূমি স্বাস্থ্য পত্ৰ সম্পৰ্কেও জ্ঞান প্ৰদান কৰা হয়।

০০০০০০০০

মাজুলী জিলা শিশু সুৰক্ষা কাৰ্যালয়ত কালি ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হয়। জাতীয় সংগীতেৰে ভাষা গৌৰৱ সপ্তাহৰ অনুষ্ঠান আৰম্ভ কৰা হয়। অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকী সাহিত্যিক, শিক্ষাবিদৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০০০

ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত সপ্তাহজোৰা কাৰ্যসূচীৰে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে কালি পুৱা ছাত্ৰ-ছাত্ৰীসকলে এটি শোভাযাত্ৰা উলিয়ায়। ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষা সাহিত্যৰ সেৱকসকলৰ বচন আৰু ভাষা ৰক্ষাৰ উদ্দেশ্যে আগবঢ়োৱা ভালেমান মন্তব্য লিখিত ৰূপত হাতে হাতে লৈ বিভিন্ন সংগীত পৰিবেশনেৰে ধুবুৰী চহৰ পৰিভ্ৰমণ কৰে। শোভাযাত্ৰাত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। তাৰ পাছতে ভাষাটোৰ সৃষ্টিশীল সাহিত্যক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান থকা অসমীয়া ফকৰা যোজনা লিখা এখন প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

০০০০০০

শ্ৰাতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ভাৰতৰ দিৱিজ চৰণ আৰু ইজৰাইলৰ ডেনিয়েল কুকিৰমেনৰ যুটীটোৱে ফিনলেণ্ডৰ হেলেচিংকিত অনুষ্ঠিত এইচ পি পি অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চৰণ আৰু কুকিৰমেনৰ যুটিটোৱে যোৱা নিশা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চেক গণৰাজ্যৰ মেটেজ ৰোছেল আৰু ডেনমাৰ্কৰ জোহান্স ইংগিল্ডিছনক ৭-৬, ৭-৫ পোনপটীয়া ছেটত পৰাস্ত কৰে।

০০০০০০

ৰিপাব্লিকান দলৰ প্ৰাৰ্থী ড'নাল্ড ট্ৰাম্প আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন অসমীয়া আৰু ইংৰাজী বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য স্থান দিছে। অসমীয়া খবৰ কাকতে **১২০ বছৰ পাছত ইতিহাস ৰচি বিশ্বৰ সৰ্বশক্তিমান দেশৰ ৪৭ তম ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত- পুনৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্প**, দৈনিক জনমভূমিয়ে **১৩২ বছৰীয়া ইতিহাস সলনি, হোৱাইট হাউছলৈ পুনৰ ট্ৰাম্প**, দৈনিক অসম কাকতে **ড'নাল্ড ট্ৰাম্পৰ প্ৰত্যাৱৰ্তন-জল্পনা-কল্পনাৰ অন্তত পৰাস্ত কমলা হেৰিছ**, দৈনিক অগ্ৰদূতে **বিপুল জয়েৰে ট্ৰাম্পৰেই প্ৰত্যাৱৰ্তন**, আমাৰ অসম কাকতে **কমলা হেৰিছক বহু পিছ পেলাই অনায়াস জয় প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড-পুনৰ ট্ৰাম্পৰাজ,** নিয়মীয়া বাৰ্তাই **বহু প্ৰতিক্ষিত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফল-কমলাক হৰুৱাই হোৱাইট হাউছলৈ ট্ৰাম্প,** দি আছাম ট্ৰিবিউন কাকতে TRUMP ELECTED US PRESIDENT আৰু দা ছেণ্টিনেল কাকতে TRUMP RETURNS AS 47TH US PRESIDENT শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে।

ইয়াৰ উপৰি ৰাজ্যৰ আসন্ন ৫ সমষ্টিৰ উপ-নিৰ্বাচনক লৈ চলা ৰাজনৈতিক দলসমূহৰ তৎপৰতাৰ বিভিন্ন বাতৰিকো আজি বাতৰি কাকতসমূহে আগস্থান দিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বঙাইগাঁও আৰু চিদলীত নিৰ্বাচনী সভা সম্বোধন কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত, দৈনিক অসমকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

আনহাতে ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশ অমান্য কৰি ৫ গৰাকী এ.চি.এছ্ বিষয়া নিলম্বিত হোৱাৰ বাতৰিটোৱে দৈনিক জনমভূমি, অসমীয়া খবৰৰ লগতে আন কেইবাখনো কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে। ইপিনে দীঘলীপুখুৰীৰ উৰণ সেতুৰ নক্সা সলনি কৰাৰ লগতে উৰণ সেতুখনে দীঘলীপুখুৰীৰ অংশ স্পৰ্শ নকৰে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰিটো আমাৰ অসম, দা ছেণ্টিনেল তথা দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

কাকতসমূহৰ আজিৰ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিৰ ভিতৰত আছে- বিদ্যালক্ষ্মী আঁচনিত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন, ৰাজ্যৰ ৯ খন ট'লগেটৰ পৰা ৪৫২ কোটি ২২ লাখ টকা সংগ্ৰহ, আদালতৰ নিৰ্দেশ অৱমাননা কৰাত শিক্ষা সচিব নাৰায়ণ কোঁৱৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভৎসৰ্না, নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ বিৰুদ্ধে আৰক্ষীৰ গোচৰ ৰুজু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

সমাপ্ত